জয় আই অসম

# সদৌ অসম কৰ্মচাৰী পৰিষদ

( অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত )

কেন্দ্ৰীয় কাৰ্য্যালয় ঃ দিশপুৰ, গুৱাহাটী - ৭৮১০০৬

## পঞ্চবিংশতিতম বাৰ্ষিক সাধাৰণ সভা

আৰু

## মুকলি অধিৱেশন

## সম্পাদক প্ৰধানৰ বাৰ্ষিক প্ৰতিবেদন

তাৰিখ ঃ ১১, ১২ আৰু ১৩ জুন, ২০০৯ চন

স্থান

জিলা পুথিভৰাল, তেজপুৰ

OKDISCD

# সদৌ অসম কৰ্মচাৰী পৰিষদ
# পঞ্চবিংশতিতম বাৰ্ষিক সাধাৰণ সভা আৰু মুকলি অধিবেশন

মাননীয় সভাপতি মহোদয়, সন্মানীয় অতিথি অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈদেৱ, বিশিষ্ট অতিথি মাননীয় মীনমন্ত্ৰী নুৰজামাল সৰকাৰদেৱ, মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত গৌতম বৰাদেৱ, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ শ্ৰীযুত যোচেফ তপ্পদেৱ, তেজপুৰ সমষ্টিৰ বিধায়ক শ্ৰীযুত বৃন্দাবন গোস্বামীদেৱ, স্মৃতিগ্ৰন্থ উন্মোচক শোণিতপুৰ জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক শ্ৰীযুত মহানন্দ হাজৰিকাদেৱ, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীশংকৰ প্ৰসাদ ৰায় ডাঙৰীয়া, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উপদেষ্টা শ্ৰীপুতুল দত্ত ডাঙৰীয়া, সাধাৰণ সম্পাদক শ্ৰীমনোজ বৰুৱা ডাঙৰীয়া, সদৌ অসম কৰ্মচাৰী পৰিষদৰ শ্ৰদ্ধাৰ প্ৰতিনিধিবৰ্গ, উপস্থিত শ্ৰদ্ধাৰ শ্ৰমিক, শিক্ষক, বিষয়া, কৰ্মচাৰীসকল, শ্ৰদ্ধাৰ ৰাইজ, আই-মাতৃসৰ আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকল। প্ৰতিবেদনৰ আৰম্ভণিতে সদৌটিলৈ শ্ৰদ্ধা, মৰম জনালো। অসমৰ বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া অসমৰ অমৰ শ্বহীদ সকললৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। দেশতকৈ চাকৰি ডাঙৰ নহয় বুলি ৰাজপথলৈ ওলাই আহি প্ৰাণ বিসৰ্জন দিয়া কৰ্মচাৰী-শ্বহীদ, নিৰ্য্যাতিত সকললৈও শ্ৰদ্ধা জনাইছো। বিগত বছৰটোত ৰাজ্যিক শিক্ষক, কৰ্মচাৰী-শ্ৰমিক বিষয়াৰ মাজৰ পৰা পৰলোকপ্ৰাপ্ত সকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছো।

তেজপুৰ জিলা কৰ্মচাৰী পৰিষদৰ আন্তৰিকতাপূৰ্ণ আহ্বানত সদৌ অসম কৰ্মচাৰী পৰিষদৰ পঞ্চবিংশতিতম বাৰ্ষিক সাধাৰণ সভা আৰু মুকলি সভাখন তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰাত জিলা কৰ্মচাৰী পৰিষদৰ সমূহ বিষয়-ববীয়া, অভ্যৰ্থনা সমিতিৰ বিষয়-ববীয়া, সদস্য, সদস্যাসকললৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। জিলাখনৰ ৰাইজ, শিক্ষক, কৰ্মচাৰী, সংবাদ মাধ্যমৰ লগত জড়িত সংবাদসেৱী, ছাত্ৰ-ছাত্ৰী সকলৰ পূৰ্ণ সহযোগিতাৰে অধিবেশনখন সাফল্যমণ্ডিত কৰাত সংশ্লিষ্ট সদৌটিলৈ আমাৰ কৃতজ্ঞতা জনাইছো।

**শ্ৰদ্ধাৰ বন্ধু-বান্ধৱীসকল,**

সদৌ অসম কৰ্মচাৰী পৰিষদ ৰাজ্যখনৰ ৰাজ্যিক শ্ৰমিক, কৰ্মচাৰী, শিক্ষক, বিষয়া সংগঠন সমূহৰ এক বৃহত্তম যৌথ মঞ্চ। যোৱা ২০০৩ চনৰ পৰা ২০০৫ চনলৈ প্ৰথমটো কাৰ্য্যকাল, ২০০৬ -২০০৭ বৰ্ষত দ্বিতীয়টো কাৰ্যকাল সদৌ অসম

OKDISCD

কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধানৰ দায়িত্ব সফলভাৱে সম্পূৰ্ণ কৰাত ২০০৮ চনৰ এপ্ৰিল মাহৰ ৯, ১০ আৰু ১১ তাৰিখে যোৰহাটত অনুষ্ঠিত হোৱা চতুৰ্বিংশতিতম সাধাৰণ সভাই পুনৰ ২০০৮-২০০৯ বৰ্ষৰ বাবে বিনাপ্ৰতিদ্বন্দ্বিতাৰে সম্পাদক প্ৰধানৰ দায়িত্ব অৰ্পন কৰাত সন্মানিত প্ৰতিনিধিবৰ্গলৈ আন্তৰিক শ্ৰদ্ধা জনাইছো। উক্ত সাধাৰণ সভাতে তলত দিয়া কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিখন সৰ্ব্বসন্মতভাবে গঠন কৰা হয়।

**সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্ব্বাহক সমিতিখন ঃ**

| | | |
|---|---|---|
| **উপদেষ্টা** | ঃ | শ্ৰীসুৰেন বৰা |
| **সভাপতি** | ঃ | শ্ৰীপ্ৰদীপ কুমাৰ বৰা |
| **উপ-সভাপতি** | ঃ | ড° গোবিন্দ দাস |
| | | শ্ৰীকৃষ্ণকান্ত তালুকদাৰ |
| | | শ্ৰীধনেশ্বৰ শৰ্মা |
| | | শ্ৰীযোগেন গায়ন |
| **সম্পাদক প্ৰধান** | ঃ | শ্ৰীবাসৱ চন্দ্ৰ কলিতা |
| **যুটীয়া সম্পাদক** | ঃ | শ্ৰীনগেন দাস |
| | | শ্ৰীতনুকৃষ্ণ গোস্বামী |
| | | শ্ৰীকৃপাচন্দ্ৰ কলিতা |
| | | শ্ৰীপদ্মকান্ত বৰা |
| **কোষাধ্যক্ষ** | ঃ | শ্ৰীখগেন ডেকা |
| **কাৰ্য্যালয় সম্পাদক** | ঃ | শ্ৰীফকৰুদ্দিন আহমেদ |

**সাংগঠনিক সম্পাদক ঃ**

| | | |
|---|---|---|
| শ্ৰীআবেদ আলি আহমেদ | ঃ | গুৱাহাটী, ৰঙিয়া, মৰিগাওঁ |
| শ্ৰীহৰিমোহন তহবিলদাৰ | ঃ | তামুলপুৰ, নলবাৰী, বাক্সা |
| শ্ৰীনিৰ্মল কুমাৰ পাল | ঃ | কোকৰাঝাৰ, বঙাইগাওঁ, গোসাইগাওঁ |
| শ্ৰীমন্তাজউদ্দিন আহমেদ | ঃ | হাটশিঙিমাৰি, গোৱালপাৰা, ধুবুৰী, |
| শ্ৰীমণি গগৈ | ঃ | শিৱসাগৰ, নাজিৰা, চৰাইদেউ |
| শ্ৰীবিৰেন বৰদলৈ | ঃ | লক্ষীমপুৰ, বিশ্বনাথ চাৰিআলি, গহপুৰ |
| শ্ৰীদিলীপ সিং | ঃ | ডিব্ৰুগড়, তিনিচুকীয়া, মাৰ্ঘেৰিটা |
| শ্ৰীকিৰণ হাজৰিকা | ঃ | যোৰহাট, মাজুলী, তিতাবৰ, মৰিয়নী |
| শ্ৰীদিলীপ কোঁৱৰ | ঃ | গোলাঘাট, ধনশিৰি, বোকাখাত |
| শ্ৰীপবিত্ৰ পাঠক | ঃ | বিজনী, বজালী, বৰপেটা |



OKDISCD

| | | |
|---|---|---|
| শ্ৰীসুদীপ ভট্টাচাৰ্য্য | ঃ | শিলচৰ, হাইলাকান্দি, বদৰপুৰ, কৰিমগঞ্জ |
| শ্ৰীকিনাৰাম হাজৰিকা | ঃ | নগাওঁ, হোজাই, কলিয়াবৰ |
| শ্ৰীসুৰেন বৰুৱা | ঃ | মঙ্গলদৈ, তেজপুৰ, ওদালগুৰি |
| শ্ৰীপ্ৰদীপ ভূঞা | ঃ | ধেমাজি, ঢকুৱাখানা, জোনাই |
| শ্ৰীঅৰ্জুন দাস | ঃ | ডিফু, হামৰেন, বোকাজান, হাফলং |

**সদস্য ঃ**

**জিলা কৰ্মচাৰী পৰিষদ -**

শ্ৰীভূপেন বৰুৱা, গুৱাহাটী,

শ্ৰীঅমৃত শৰ্মা, বাক্সা

শ্ৰীদীপক বণিক, বৰপেটা

শ্ৰীজ্যোতিষ মেধি, গোৱালপাৰা

শ্ৰীশ্যামন্ত দাস, নগাওঁ

শ্ৰীনৃপেন ভূঞা, যোৰহাট

শ্ৰীবিজয়কৃষ্ণ দত্ত, শিৱসাগৰ

শ্ৰীঅনুপ কুমাৰ বৰঠাকুৰ, হোজাই

শ্ৰীহীৰা বুঢ়াগোহাঁই, জোনাই

শ্ৰীগোপাল ৰংছেহন, ডিফু

শ্ৰীভূপেন দলে, উঃ লক্ষীমপুৰ

শ্ৰীমাখন লাল নুনিছা, হাফলং

শ্ৰীৰঞ্জিৎ বৰঠাকুৰ, তেজপুৰ

শ্ৰীদেৱেশ্বৰ মৰাণ, তিনিচুকীয়া

শ্ৰীপুলক গগৈ, চৰাইদেউ

শ্ৰীহৰেকৃষ্ণ মেধি, নলবাৰী

শ্ৰীপ্ৰশান্ত কলিতা, নাজিৰা

শ্ৰীপান্না পাল, শিলচৰ

শ্ৰীখগেন মহন্ত, মৰিগাওঁ

শ্ৰীকালাচান্দ সিং, ওদালগুৰি

OKDISCD

**সন্থা, সংঘ সমূহৰ পৰা ঃ**

**শ্ৰীবিৰাজ বৈশ্য,** অসম চৰকাৰী ছপাশাল ঔদ্যোগিক কৰ্মীসন্থা

**শ্ৰীঠানু বুঢ়াগোহাঁই,** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী

**শ্ৰীতপন গোস্বামী,** সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থা

**শ্ৰীনুৰুল ইছলাম,** সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থা

**শ্ৰীজিতেন বৰ্মন,** অসম সচিবালয় সেৱা সন্থা

**শ্ৰীদুৰ্গেশ্বৰ তালুকদাৰ,** গুৱাহাটী মেডিকেল কলেজ, হাস্পাতাল কৰ্মী সংঘ

**শ্ৰীবিৰেন্দ্ৰ নাথ শৰ্মা,** সদৌ অসম ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান প্ৰশিক্ষক সন্থা

**শ্ৰীৰাজেশ কুমাৰ মেধি,** সদৌ অসম গ্ৰামোন্নয়ন কৰ্মচাৰী সন্থা

**শ্ৰীপ্ৰবীৰ বৰা,** সদৌ অসম আভ্যন্তৰীণ জল পৰিবহন কৰ্মচাৰী সন্থা

**শ্ৰীকামাখ্যা নাথ,** অসম সচিবালয় মুদ্ৰালেখনকাৰী সন্থা

**শ্ৰীগৌতম চন্দ্ৰ দে,** বৃহত্তৰ কামৰূপ জিলা, মুৰব্বী বিভাগ, সচিবালয় গাড়ীচালক আৰু সহায়ক সন্থা।

**শ্ৰীপ্ৰদীপ ৰাজখোৱা,** সদৌ অসম কোষাগাৰ কৰ্মচাৰী সন্থা।

**শ্ৰীবুলুমা শইকীয়া,** সদৌ অসম এ এন এম আৰু এল এইচ এচ সন্থা

**শ্ৰীভদ্ৰেশ্বৰ মেধি,** সদৌ অসম মুৰব্বী বিভাগীয় আমোলা সন্থা।

**শ্ৰীকুশল কুমাৰ বৰা,** সদৌ অসম মজলীয়া বিদ্যালয় শিক্ষক সন্থা।

**শ্ৰীঅতুল ৰায় মণ্ডল,** সদৌ অসম মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থা।

**শ্ৰীমৃণাল কলিতা,** হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগ বিষয়া সন্থা

**শ্ৰীসুশীল সৰকাৰ,** সদৌ অসম সমবায় বিষয়া সন্থা

**শ্ৰীটিকাৰাম শৰ্মা,** সদৌ অসম বিদ্যালয় চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা

**শ্ৰীহেমন্ত কুমাৰ নাথ,** সদৌ অসম উ প-অভিযন্তা (১) সেৱা সন্থা

**মনোনীত সদস্য ঃ**

**শ্ৰীঅবনীকুমাৰ ডেকা,** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী

**শ্ৰীমৃণাল কলিতা,** সদৌ অসম ৰেচম বিষয়া সন্থা

**শ্ৰীপ্ৰফুল্ল বৰা,** যোৰহাট

**নজমুল হক,** গুৱাহাটী



OKDISCD

উদয়ন চক্ৰৱৰ্ত্তী, ধুবুৰী

শ্ৰীৰাজেন শৰ্মা, অসম হাইস্কুল শিক্ষক সন্থা

শ্ৰীবিৰেন ডেকা, সদৌ অসম আবকাৰী বিষয়া সন্থা

শ্ৰীকানন বৰদলৈ, গুৱাহাটী

আমন্ত্ৰিত সদস্য ঃ (জিলা কৰ্মচাৰী পৰিষদৰ)

শ্ৰীহীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, মৰিয়নী

শ্ৰীৰবীন্দ্ৰনাৰায়ণ ৰয়, গোলাঘাট

শ্ৰীগিৰীশ দত্ত, ঢকুৱাখানা

শ্ৰীকেশৱ মহন্ত, তিতাবৰ

শ্ৰীসোনাৰাম ভড়ালী, ধনশিৰি

শ্ৰীঅম্বিকাপদ গোস্বামী, ৰঙিয়া

শ্ৰীনাৰায়ণ বৰা, মাজুলী

মঃ ইউচুফ আলি মণ্ডল, হাটশিঙিমাৰী

শ্ৰীকল্যাণ কুমাৰ ৰায়চৌধুৰী, হামৰেন

শ্ৰীগোপীনাথ ব্ৰহ্ম, গোসাইগাঁও

শ্ৰীদুলাল দত্ত, ধেমাজি

শ্ৰীদিপাংকৰ চক্ৰৱৰ্ত্তী, তিনিচুকীয়া

শ্ৰীচন্দ্ৰ বসুমতাৰী, কোকৰাঝাৰ

শ্ৰীমইনুল হ'ক বৰভূঞা, হাইলাকান্দি

শ্ৰীলক্ষেশ্বৰ বৰা, কলিয়াবৰ

শ্ৰীসাধন কুমাৰ দত্ত, বদৰপুৰ

শ্ৰীৰবিন কলিতা, বজালী

শ্ৰীনৰেন শৰ্মা, মঙ্গলদৈ

শ্ৰীমনাৰুল ইছলাম, গোৱালপাৰা

আমন্ত্ৰিত সদস্য ঃ (সন্থা, সংঘৰ তৰফৰ পৰা)

শ্ৰীদিলীপ শৰ্মা, সদৌ অসম মাধ্যমিক বিদ্যালয় সহায়ক সন্থা।

শ্ৰীঅনিল বৰ্মন, যান্ত্ৰিক শ্ৰমিক সংঘ, অসম।



OKDISCD

**শ্ৰীচেনিৰাম ভূঞা**, সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সন্থা।

**শ্ৰীপ্ৰভাত কলিতা**, সদৌ অসম পশুচিকিৎসা ক্ষেত্ৰ সহায়ক সন্থা।

**শ্ৰীমনোজ লহকৰ** , সদৌ অসম অ'বিবি শিক্ষক সন্থা।

**শ্ৰীযোগেন্দ্ৰ নাথ পাঠক**, সদৌ অসম শাখা সহকাৰী আৰু উপ-অভিযন্তা সেৱা সন্থা।

**শ্ৰীপ্ৰফুল্ল বৰ্মন**, সদৌ অসম চৰকাৰী বিদ্যালয় সেৱা সন্থা।

**শ্ৰীমেঘেশ্বৰ ডেকা**, অসম খাদীবোৰ্ড কৰ্মচাৰী সন্থা।

**শ্ৰীপ্ৰদীপ শৰ্মা**, সদৌ অসম ডায়েট বিষয়া সন্থা।

**শ্ৰীযোগেশ্বৰ বৰদলৈ**, ফৰেনচিক বিজ্ঞানাগাৰ অৰাজপত্ৰিত কাৰিকৰী কৰ্মচাৰী সন্থা।

**শ্ৰীদেৱেন শইকীয়া**, সদৌ অসম ৰেচম বিভাগীয় চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থা।

**শ্ৰীসত্য প্ৰসাদ ৰাজখোৱা**, অসম প্ৰাথমিক শিক্ষা পৰিকল্পনা আৰু পৰিসংখ্যা সেৱা সন্থা।

**শ্ৰীমিলন পাঠক**, শক্তি চালিত যন্ত্ৰ চালক সন্থা।

**শ্ৰীফকৰুদ্দিন আহমেদ**, সদৌ অসম মেডিকেল লেব'ৰেটৰী টেকনিচিয়ান সন্থা।

**শ্ৰীউৎপল চক্ৰৱৰ্ত্তী**, সদৌ অসম কনিষ্ঠ মহাবিদ্যালয় শিক্ষক কৰ্মচাৰী সন্থা।

## বিশেষ আমন্ত্ৰিত সদস্য

**শ্ৰীপ্ৰমোদ চৌধুৰী**, সদৌ অসম মাষ্টাৰৰোল কেজুৰেল কৰ্মচাৰী সমন্বয়ৰক্ষী সমিতি

শ্ৰীচন্দ্ৰ কলিতা, সদৌ অসম মাষ্টাৰৰোল কেজুৰেল কৰ্মচাৰী সমন্বয়ৰক্ষী সমিতি

**মঃ অজিত আলি**, অসম কৃষি বিশ্ববিদ্যালয়, মাষ্টাৰৰোল কৰ্মচাৰী সন্থা।

## হিচাপ পৰীক্ষক ঃ

শ্ৰীপ্ৰবোধ শৰ্মা

শ্ৰীসত্যজিত বৰা

## কৰ্ণধাৰ সমিতি ঃ

| | | |
|---|---|---|
| শ্ৰীসুৰেন বৰা | ঃ | উপদেষ্টা |
| শ্ৰীপ্ৰদীপ কুমাৰ বৰা | ঃ | সভাপতি |
| শ্ৰীবাসৱ চন্দ্ৰ কলিতা | ঃ | সম্পাদক প্ৰধান |

OKDISCD

ড° গোবিন্দ দাস : সদস্য

শ্ৰীকৃষ্ণকান্ত তালুকদাৰ

শ্ৰীধনেশ্বৰ শৰ্মা

শ্ৰীযোগেন গায়ন

শ্ৰীনগেন দাস

শ্ৰীতনুকৃষ্ণ গোস্বামী

শ্ৰীকৃপাচন্দ্ৰ কলিতা

শ্ৰীপদ্মকান্ত বৰা

শ্ৰীখগেন ডেকা

শ্ৰীফকৰুদ্দিন আহমেদ

শ্ৰীআবেদ আলি আহমেদ

শ্ৰীনিৰ্মল কুমাৰ পাল

শ্ৰীঅনুপ কুমাৰ বৰঠাকুৰ

শ্ৰীপান্না পাল

শ্ৰীকালাচান্দ সিং

শ্ৰীঠানু বুঢ়াগোহাই

শ্ৰীনুৰুল ইছলাম

শ্ৰীজিতেন বৰ্মন

শ্ৰীবুলুমা শইকীয়া

শ্ৰীঅতুল ৰায় মণ্ডল

শ্ৰীবিৰেন ডেকা

শ্ৰীকানন বৰদলৈ

শ্ৰীপ্ৰদীপ ৰাজখোৱা

**শ্ৰদ্ধাৰ বন্ধু-বান্ধৱীসকল,**

ৰাজ্যখনৰ শিক্ষক, কৰ্মচাৰী সকলে ভোগকৰি থকা সমস্যাৰাজিৰ ওপৰত যোৰহাটত অনুষ্ঠিত চতুৰ্বিংশতিতম সাধাৰণ সভাই বিস্তৃতভাৱে আলোচনা কৰি নিম্নোক্ত প্ৰস্তাৱ সমূহ গ্ৰহণ কৰে আৰু নৱনিৰ্বাচিত কাৰ্য্যনিৰ্বাহক সমিতিক কাৰ্য্যকৰীকৰণৰ বাবে দায়িত্ব দিয়ে। প্ৰস্তাৱ সমূহৰ লগত বিগত সময়ছোৱাত কাৰ্য্যকৰীকৰণৰ আভাষ দাঙি ধৰা হ'ল।



OKDISCD

## দাবীসমূহ আৰু কাৰ্য্যকৰীকৰণ ঃ

**দৰমহা আয়োগ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ চতুৰ্বিংশতিতম বাৰ্ষিক সাধাৰণ সভাই অসমৰ ৰাজ্যিক কৰ্মচাৰীসকলৰ দৰমহা তথা অন্যান্য সা-সুবিধা সমূহ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ সমহাৰত নিৰ্দ্ধাৰণ কৰিবলৈ দাবী উত্থাপন কৰে। উক্ত দাবীৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে দৰমহা আয়োগ গঠন কৰিলেই অসমতো দৰমহা আয়োগ গঠন কৰা, কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ নিৰিখত দৰমহা তথা অন্যান্য সা-সুবিধা আদায় দিয়া, অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ পৰিবৰ্ত্তে অৱসৰপ্ৰাপ্ত বিষয়াক আয়োগৰ অধ্যক্ষ নিয়োগ কৰা বিষয় সমূহ আলোচনাকালত মুখ্যমন্ত্ৰীয়ে সন্মতি প্ৰকাশ কৰিছে। "কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ নিৰিখত দৰমহা তথা অন্যান্য সা-সুবিধা আদায় কৰাতো নিশ্চিত কৰা, কৰ্মচাৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰা আৰু ৰাজ্য চৰকাৰে শীঘ্ৰে দৰমহা আয়োগ গঠন কৰি সংশোধিত হাৰত দৰমহা আদায় দিয়াৰ ব্যৱস্থা কৰাৰ বাবে গুৱাহাটীত এখন অভিবৰ্ত্তন অনুষ্ঠিত কৰাৰ বাবে চতুৰ্বিংশতিতম সাধাৰণ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।"

সাধাৰণ সভাৰ সিদ্ধান্ত মৰ্মেই যোৱা ২২ আৰু ২৩ নবেম্বৰ/২০০৯ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে গুৱাহাটীৰ তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত ৰাজ্যিক অভিবৰ্ত্তন অনুষ্ঠিত কৰা হয়। গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত অনুষ্ঠিত ৰাজ্যিক অভিবৰ্ত্তনত পোন প্ৰথমবাৰৰ বাবে আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি সম্পাদক সকলকো যোগদানৰ সুবিধা দিয়া হয়। প্ৰায় ১৪০০ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত হোৱা অভিবৰ্ত্তনত বিদেশী নাগৰিকৰ সমস্যা আৰু অসম দৰমহা আয়োগৰ ওপৰত এক গাম্ভীৰ্য্যপূৰ্ণ আলোচনা সফলভাৱে অনুষ্ঠিত হয়। উল্লেখযোগ্য যে পৰিষদক মুখ্যমন্ত্ৰীয়ে দিয়া আশ্বাসৰ ভিত্তিতে যোৱা ৩০ মে', ২০০৮ তাৰিখে অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনীয় বিষয়া মাননীয় শ্ৰীযুত ভাস্কৰ বৰুৱাদেৱক অধ্যক্ষ হিচাপে লৈ অসম দৰমহা আয়োগ গঠন কৰিছে।

গুৱাহাটীত অনুষ্ঠিত হোৱা ৰাজ্যিক কৰ্মচাৰীৰ অভিবৰ্ত্তনে মাঘ বিহুৰ আগে আগে শিক্ষক কৰ্মচাৰী সকলক সংশোধীত হাৰত দৰমহা তথা অন্যান্য সা-সুবিধা আদায় দিয়াৰ বাবে শেষ সময়সীমা নিৰ্দ্ধাৰণ কৰি দিয়া প্ৰস্তাৱ মৰ্মেই মাননীয় মুখ্যমন্ত্ৰীয়ে ৩০ ডিচেম্বৰ, ০৮ তাৰিখে পৰিষদৰ কৰ্ণধাৰ সমিতিক আলোচনালৈ আমন্ত্ৰণ জনায়। ৰাজ্যখনৰ উচ্চপদস্থ বিষয়া সকলৰ উপস্থিতিত হোৱা আলোচনা কালত অসম দৰমহা আয়োগে আয়োগৰ প্ৰতিবেদন দাখিল নকৰাৰ পৰিপ্ৰেক্ষিতত সংশোধিত হাৰত দৰমহা আদায় দিয়াতো সম্ভৱ নহয় বুলি স্পষ্ট কৰি দিয়ে। পৰিষদৰ তৰফৰ পৰা অতিৰিক্ত অন্তৰৰ্ত্তীকালিন সকাহ আদায় দিয়াৰ বাবে আহ্বান জনোৱাত ১ জানুৱাৰী, ০৯ তাৰিখ পৰা কাৰ্য্যকৰী হোৱাকৈ অতিৰিক্ত ১৫% অন্তৰৰ্ত্তীকালিন সকাহ আদায় কৰা হয়।



OKDISCD

**টাইমস্কেল পদোন্নতি ঃ** কেন্দ্ৰীয় চৰকাৰৰ Assured Career Progression Scheme ৰ আধাৰত শিক্ষক কৰ্মচাৰীক সময়োচিত পদোন্নতি দিয়াৰ বাবে ৰাজ্য চৰকাৰক দাবী জনোৱা হৈছে। টাইমস্কেল পদোন্নতিৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ বাবে পৰিষদে উত্থাপন কৰি অহা দাবী চৰকাৰে নীতিগতভাৱে মানিলৈ ইয়াৰ কাৰ্য্যকৰী দিশ সম্পৰ্কে যাৱতীয় পৰামৰ্শ আগবঢ়োৱাৰ বাবে জ্যেষ্ঠ আই এ. এছ বিষয়া শ্ৰীসুভাষ চন্দ্ৰ দাসক লৈ এখন এজনীয়া কমিটি গঠন কৰি দিছিল। উক্ত কমিটিয়ে সদৌ অসম কৰ্মচাৰী পৰিষদৰ লগত মত বিনিময় কৰাৰ পিছত প্ৰতিবেদন দাখিল কৰিছে। তাৰো ষষ্ঠ কেন্দ্ৰীয় দৰমহা আয়োগে পূৰ্ব্বৰ দুবাৰ নিশ্চিত পদোন্নতিৰ ঠাইত তিনিবাৰ পদোন্নতি নিশ্চিত কৰি দিছে। বিষয়টো সোনকালে মীমাংসা কৰাৰ বাবে পুনৰ দাবী উত্থাপন কৰা হৈছে।

**ৱাৰ্কচাৰ্জ মাষ্টাৰৰোল কেজুৱেল চাকৰি নিয়মীয়াকৰণ ঃ**

ৰাজ্য চৰকাৰৰ লগত সদৌ অসম কৰ্মচাৰী পৰিষদে কেইবালানিও আলোচনাৰ অন্তত ১-৪-৯৩ ৰ আগতে নিযুক্ত ৱাৰ্কচাৰ্জ মাষ্টাৰৰোল কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণৰ বাবে ৰাজ্য চৰকাৰে মাজে-সময়ে নিৰ্দেশ দিয়ে যদিও কাৰ্য্যতঃ এজনো কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ নোহোৱাত পৰিষদে মুখ্যমন্ত্ৰী, ৰাজ্যিক বিত্ত মন্ত্ৰীৰ লগত আলোচনা কৰি দহটা বিভাগৰ ৩১,০৪৯ গৰাকী মাষ্টাৰৰোল, ৱাৰ্কচাৰ্জ-কৰ্মচাৰীৰ চাকৰি ২২-১২-২০০৫ ইং তাৰিখে বিত্ত বিভাগৰ পৰা FEC (II) 1/2005/66 নিৰ্দেশনা যোগে নিয়মীয়াকৰণ কৰাত ই এক যুগমীয়া সিদ্ধান্ত বুলি পৰিষদে অভিমত ব্যক্ত কৰিছে। ১-৪-৯৩ ইং তাৰিখে পূৰ্বে নিয়োজিত কিন্তু নিয়মীয়া হবলৈ বাকী থকা মাষ্টাৰৰোল, কেজুৱেল, ফিক্সড্‌পে, দক্ষ-অদক্ষ কৰ্মী আদি নামকৰণেৰে কৰ্ত্তব্যৰত শ্ৰমিক কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ সন্দৰ্ভত পৰিষদৰ সৈতে ৰাজ্য চৰকাৰৰ লগত হোৱা আলোচনাৰ সিদ্ধান্ত মৰ্মে এখন সাম্ভাব্য তালিকা বিত্ত বিভাগত দাখিল কৰাৰ পিছত বিত্ত বিভাগেও বিভাগসমূহৰ পৰা তালিকা সংগ্ৰহ কৰিছে। কিন্তু আজিলৈ কোনো বাস্তৱ সিদ্ধান্ত গ্ৰহণ কৰা নাই। শেহতীয়াভাৱে যোৱা ৩০ ডিচেম্বৰ/০৮ তাৰিখে ৰাজ্য চৰকাৰৰ লগত হোৱা আলোচনাত বিভাগ সমূহক শুদ্ধ তালিকা বিত্ত বিভাগলৈ প্ৰেৰণ কৰা নাই বুলি অৱগত কৰে আৰু পৰিষদক তালিকা প্ৰেৰণৰ বাবে যাৱতীয় ব্যৱস্থা লবলৈ পৰামৰ্শ দিয়ে। আলোচনাৰ সিদ্ধান্ত মৰ্মে পৰিষদৰ পৰা প্ৰেৰণ কৰা বুলি অৱগত কৰিছে। অৱশ্যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন সঞ্চালকালয় আৰু গড়কাপ্তানি বিভাগৰ মুখ্য অভিযন্তা কাৰ্য্যালয়ে তালিকা প্ৰেৰণ নকৰাত শ্ৰমিক সকলৰ সহযোগিতাত ২৭ ফেব্ৰুৱাৰী, ২০০৮ তাৰিখে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন সঞ্চালকালয়ৰ কাৰ্য্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্য্যসূচীও ৰূপায়ণ কৰা হয়। এই ছেগতে অতিশীঘ্ৰে সেইসকল কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণৰ বাবে ৰাজ্য



OKDISCD

চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা হ'ল। পৰিষদৰ একান্ত প্ৰচেষ্টাত ইতিমধ্যে বনবিভাগৰ মাষ্টাৰৰোল কৰ্মচাৰী সকলৰ দৰমহাৰ বাবে বাজেটত টকা ধাৰ্য্য কৰাৰ ব্যৱস্থা হৈছে আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত নিয়মীয়াকৈ দৰমহা আদায় পাইছে। পঞ্চায়তৰ শ্ৰমিক সকলৰ বাবেও মাহিলী বেতন আদায় পোৱাতো নিশ্চিত কৰাৰ বাবে প্ৰচেষ্টা হাতত লোৱা হৈছে। তাৰোপৰি ১-৪-৯৩ তাৰিখৰ পিছত নিযুক্ত শ্ৰমিক সকলৰ যি সকলে ২০০১ চনৰ জানুৱাৰী মাহত ৫ বছৰ সম্পূৰ্ণ কৰিছে সেই সকলৰ চাকৰি নিয়মীয়াকৰণৰ বাবেও চতুৰ্বিংশতিতম অধিবেশনে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে।

**বিদ্যালয় প্ৰাদেশিকীকৰণ ঃ** অসম চৰকাৰৰ শিক্ষাবিভাগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়ৰ পৰা কনিষ্ঠ মহাবিদ্যালয় পৰ্যন্ত প্ৰাদেশিকীকৰণৰ বাবে ৰাজ্য চৰকাৰক জনোৱা দাবীৰ পৰিপ্ৰেক্ষিতত যিহেতু কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বুজাবুজি চুক্তিমতে বিদ্যালয় প্ৰাদেশিকীকৰণ বন্ধ ৰখা হৈছিল সেয়েহে মুখ্যমন্ত্ৰীয়ে অপ্ৰাদেশীকৃত বিদ্যালয় সমূহক আৰ্থিক সকাহ দিয়া হ'ব বুলি পৰিষদক অৱগত কৰিছিল আৰু তাৰে আধাৰতে বিদ্যালয় সমূহক আৰ্থিক সকাহ দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু বুজা-বুজি চুক্তিৰ ম্যাদ উকলি যোৱাৰ পিছতো চৰকাৰে বিদ্যালয় প্ৰাদেশিকীকৰণ ব্যৱস্থা নকৰাত একাংশ শিক্ষকে বিনা বেতনে অৱসৰ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে শীঘ্ৰে বিদ্যালয় সমূহ প্ৰাদেশিকীকৰণৰ ব্যৱস্থা আৰু আৰ্থিক সাহায্যৰ পৰা বঞ্চিত হোৱা বিদ্যালয় সমূহক আৰ্থিক সকাহ দি মাতৃভাষাৰ বিদ্যালয় সমূহত শিক্ষাৰ এক সুস্থ বাতাবৰণ সৃষ্টি কৰিবৰ বাবে দাবী জনালো। আনহাতে, সৰ্বশিক্ষা মিছনৰ জৰিয়তে শিক্ষা বিভাগে স্বীকৃতি প্ৰদান কৰা আৰু আৰ্থিক সকাহ দিয়া সমূহ বিদ্যালয়লৈ সকলো প্ৰকাৰৰ সা-সুবিধা তথা শিক্ষকসকলৰ প্ৰশিক্ষণৰো ব্যৱস্থা কৰিব।

**শিক্ষকৰ আৰ্জিত ছুটী ঃ** অসমৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয় পৰ্য্যায়লৈ শিক্ষকসকলে আৰ্জিত ছুটী বছৰেকত ১০ দিন আৰু অৱসৰ গ্ৰহণৰ পিছত আৰ্জিত ছুটীৰ লাভালাভ ৮০ দিন লাভ কৰে। অন্যান্য কৰ্মচাৰী সকলৰ দৰে ৰাজ্যখনৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ আৰ্জিত ছুটী বছৰেকত ৩০ দিন আৰু অৱসৰ গ্ৰহণৰ সময়ত ৩০০ দিনৰ লাভালাভ দিয়াৰ বাবে মুখ্যমন্ত্ৰীৰ ওচৰত সজোৰে দাবী উত্থাপন কৰাত যোৱা ২ জানুৱাৰী/২০০৭ আৰু ৩০ ডিচেম্বৰ ২০০৮ তাৰিখে অনুষ্ঠিত হোৱা আলোচনা কালত ৰাজ্য চৰকাৰে মানি লৈছে যদিও আজিও কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই। ৰাজ্য চৰকাৰক শীঘ্ৰে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনালো।

OKDISCD

**নতুন পেঞ্চন নীতি ঃ** কেন্দ্ৰীয় চৰকাৰে নতুন পেঞ্চন নীতি ঘোষণা কৰিছে। "নতুন পেঞ্চন নীতিৰ আধাৰত কেন্দ্ৰীয় চৰকাৰে কৰ্মচাৰী সকলৰ দৰমহা উৎসতে এটা অংশ কৰ্তন কৰি উক্ত টকা ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানত মুকলি কৰি দি তাৰ পৰা পোৱা লভ্যাংশসহ কৰ্মচাৰীজনক অৱসৰ গ্ৰহণৰ সময়ত আদায় দিয়া হ'ব।" কেন্দ্ৰীয় চৰকাৰৰ আহিত অসম চৰকাৰেও ২০০৫ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা নিযুক্তি লাভ কৰা শিক্ষক, কৰ্মচাৰীৰ বাবে অনুৰূপ ব্যৱস্থা কৰা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে বাজেট ভাষণত নতুন পেঞ্চন নীতি কাৰ্য্যকৰী কৰাৰ বাবে ঘোষণা কৰিছে। বিত্ত বিভাগেও নতুন পেঞ্চন নীতি কাৰ্য্যকৰী কৰাৰ বাবে New Defined Contribution Pension Scheme ৰ এক খচৰা প্ৰস্তাৱ যুগুতাই সদৌ অসম কৰ্মচাৰী পৰিষদলৈ মতামত/সালসলনি/পৰামৰ্শ ব্যক্ত কৰাৰ বাবে প্ৰেৰণ কৰিছে। যোৱা ১৪ মে'/২০০৯ তাৰিখে বিত্ত বিভাগৰ আমন্ত্ৰণ মৰ্মে পৰিষদৰ কৰ্ণধাৰ সমিতিয়ে বিত্ত বিভাগৰ লগত এক আলোচনাত মিলিত হৈ কিছু পৰামৰ্শ/মতামত দাঙি ধৰা হৈছে।

**অনুকম্পামূলক নিযুক্তি ঃ** চাকৰি কালত মৃত্যুবৰণ কৰা শিক্ষক কৰ্মচাৰীৰ পৰিয়ালৰ যোগ্যজনক নিযুক্তিৰ খালী পদৰ বিপৰীতে ৫ শতাংশ পদ নিযুক্তি দিয়াৰ ব্যৱস্থা আছে যদিও বিগত কেইটামান বছৰত বিভিন্ন অজুহাতত নিযুক্তিত বাধাৰ সৃষ্টি হোৱাত প্ৰায় সাত হাজাৰ আবেদনকাৰীৰ আবেদন বছৰ বছৰ ধৰি বিভাগ সমূহত বন্ধ হৈ আছে। উক্ত দুৰ্ভগীয়া পৰিয়াল সমূহে নিযুক্তি পোৱাৰ আশাত বিভাগ সমূহৰ দুৱাৰে দুৱাৰে ঘূৰি আছে। পৰিষদৰ তৰফৰ পৰা তেনেদৰে অপেক্ষাৰত আবেদনকাৰী সকলৰ সংস্থাপনৰ বাবে জনোৱা দাবীত মুখ্যমন্ত্ৰীয়ে মুখ্যসচিবৰ নেতৃত্বত এখন কমিটি গঠন কৰি তিনিমাহৰ ভিতৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছিল যদিও কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। ইফালে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এক ৰায় যোগে অনুকম্পামূলক নিযুক্তিৰ বাবে ৰাজ্য চৰকাৰক নীতি নিৰ্দেশনা দিয়াত ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিত কৰ্মচাৰী বিভাগে দিয়া নিৰ্দেশনাই পুনৰ সেইসকল আবেদনকাৰীৰ নিযুক্তিৰ ক্ষেত্ৰত অনিশ্চয়তাই দেখা দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাবে বাধাগ্ৰস্ত হোৱা আবেদনকাৰীসকলক উপযুক্ত আৰ্থিক সাহায্য আগবঢ়াবলৈ আহ্বান জনোৱাত আজিও বিষয়টো বিবেচনাধীনহে হৈ আছে। ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত শীঘ্ৰে বাস্তৱসন্মত সিদ্ধান্ত লোৱাৰ বাবে আহ্বান জনালো।

**খালী পদত নিযুক্তি ঃ** ৰাজ্যখনৰ প্ৰায়বোৰ বিভাগতে যথেষ্ট সংখ্যক পদ খালী হোৱাত বিত্ত বিভাগে সময়ে সময়ে একাংশ পদত নিযুক্তিৰ পথ মুকলি কৰি দিছে। কিন্তু প্ৰয়োজনীয় সংখ্যক পদ মুকলি কৰি নিদিয়াত শিক্ষক কৰ্মচাৰী সকলৰ মাজত ভীষণ অসন্তুষ্টিয়ে গা-কৰি উঠিছে। কিছুমান বিভাগৰ গাফিলতি নতুবা

OKDISCD

নিযুক্তি প্ৰক্ৰিয়াৰ খেলিমেলিৰ বাবে বঞ্চিত প্ৰাৰ্থীয়ে আদালতৰ দ্বাৰস্থ হোৱাত পদ সমূহ পূৰ কৰিব পৰা নাই। বিদ্যালয় সমূহত শিক্ষক-কৰ্মচাৰীৰ অভাৱ আৰু কাৰ্য্যালয় সমূহত কৰ্মচাৰীৰ অভাৱ পৰিলক্ষিত হৈছে। বহু বিদ্যালয়ত আকৌ শিক্ষকৰ অভাৱত ছাত্ৰ-ছাত্ৰীয়ে বজাৰৰ সহায়ক পুথিৰ জৰিয়তে পৰীক্ষাত অৱতীৰ্ণ হৈছে। বহু প্ৰাথমিক বিদ্যালয়ত শিক্ষকেই নাই। ৰাজ্য চৰকাৰে তেনে বিষয় সমূহত গুৰুত্ব প্ৰদান কৰি উচিত পদক্ষেপ গ্ৰহণ কৰাৰ বাবে আৰু শীঘ্ৰে খালী পদ সমূহ পূৰণ কৰিবলৈ পৰিষদৰ চতুৰ্বিংশতিতম সাধাৰণ অধিবেশনে দাবী জনাইছে।

**চাকৰিৰ সেৱা বিধি ঃ** বিভাগ সমূহত চাকৰিৰ সেৱা বিধি নথকাত নিযুক্তি, পদোন্নতি আদিত দেখা দিয়া আসোঁৱাহসমূহ দূৰীকৰণৰ স্বাৰ্থত সকলো বিভাগতে চাকৰিৰ সেৱা বিধি প্ৰস্তুত কৰাৰ বাবে জনোৱা দাবীৰ পৰিপ্ৰেক্ষিতত শীঘ্ৰে চাকৰি সেৱা বিধি প্ৰস্তুত কৰাৰ যাৱতীয় নিৰ্দেশনা দিয়াৰ বাবে কৰ্মচাৰী বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশনা দিয়ে। ইতিমধ্যে কৰ্মচাৰী বিভাগে সংশ্লিষ্ট সকলো বিভাগলৈ নিৰ্দেশনা দিয়াৰ পিছত বিভাগ সমূহত প্ৰস্তুতিৰ কাম আৰম্ভ হৈছে যদিও সম্পূৰ্ণ নোহোৱাতো উদ্বিগ্নৰ বিষয়। এই ছেগতে সংশ্লিষ্ট সন্থা সমূহক সক্ৰিয় সহযোগ কৰাৰ বাবে আহ্বান জনোৱা হ'ল।

**অ'বি.বি. শিক্ষকৰ চাকৰি ঃ** অসম চৰকাৰে মাত্ৰ এঘাৰ মাহৰ বাবে নিযুক্তি দিয়া অ'বিবি শিক্ষক সকলৰ দৰমহা আদায়ৰ বাবে পৰিষদৰ তৰফৰ পৰা যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। যোৱা ৩১ মাৰ্চত অন্ত পৰা বিত্তীয় বৰ্ষতো ৩২ মাহৰ দৰমহা আদায়ৰ ব্যৱস্থা কৰা হৈছে অৱশ্যে বিত্তীয় বৰ্ষ অন্ত পৰা দিনটোত দৰমহা মুকলি কৰাত ৰেভিনিউ ডেপোজিতত ৰখা হৈছে আৰু শিক্ষকসকলে জুন মাহত উক্ত দৰমহাৰ টকা আদায় পোৱাতো নিশ্চিত হৈছে। লগে লগে সেই সকলৰ চাকৰি নিয়মীয়াকৰণ আৰু ৪০৪০ নামৰ অ'বিবি শিক্ষকৰ চাকৰিও নিয়মীয়াকৰণৰ বাবে সন্মানীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে নিয়মীয়াকৰণৰ বাবে ৰায়দান কৰাৰ পিছত বিভাগীয় মন্ত্ৰী, আয়ুক্ত সচিব, সচিব পৰ্য্যায়ত পৰিষদৰ তৰফৰ পৰা আলোচনা অব্যাহত ৰখা হৈছে আৰু অতিশীঘ্ৰে সেই সকল শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ হ'ব বুলিও নিশ্চিত হৈছে। অ'বিবি শিক্ষকৰ সমস্যা সমাধানৰ পিছতে বিদ্যালয় সমূহত খালী হৈ থকা শিক্ষকৰ পদ সমূহ আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পদ সমূহত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবলৈ শিক্ষামন্ত্ৰী, সচিব আৰু সঞ্চালকৰ লগত হোৱা অনানুষ্ঠানিক আলোচনাত আহ্বান জনোৱা হৈছে। শিক্ষামন্ত্ৰীয়ে নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলিও অৱগত কৰিছে।

- জিলা পৰ্য্যায়ত কাম কৰা নিম্নবৰ্গ সহায়ক সকলৰ দৰমহা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ১৯৮১ চনৰ দৰমহা আয়োগে ২৭৫ টকা মূল দৰমহাৰ ভিত্তিত দৰমহা

OKDISCD

নিৰ্দ্ধাৰণ নকৰি ২৪০ টকা মূল দৰমহাৰ ভিত্তিত নিৰ্দ্ধাৰণ কৰাত পৰৱৰ্ত্তী কালত ১৯৮৮ আৰু ১৯৯৪ চনৰ দৰমহা আয়োগেও ১৯৮১ চনৰ দৰমহা আয়োগৰ অনুমোদনৰ ভিত্তিতেই দৰমহা নিৰ্দ্ধাৰণ কৰাত এই সকল কৰ্মচাৰী ন্যায্য প্ৰাপ্তিৰ পৰা বঞ্চিত হৈ থাকিল। সেয়েহে উক্ত আসোঁৱাহ দূৰ কৰি জিলা পৰ্য্যায়ৰ নিম্ন বৰ্গৰ সহায়ক সকলৰ প্ৰতি ন্যায় প্ৰদান কৰিবলৈ পৰিষদে পুনৰবাৰ দাবী উত্থাপন কৰে।

- সভাই কোঠাৰী আয়োগৰ পৰামৰ্শ আৰু ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত +২ স্তৰৰ শিক্ষা ব্যৱস্থাটো ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণৰ স্বাৰ্থত অসমৰ বিদ্যালয় আৰু স্নাতক মহাবিদ্যালয়ৰ পৰা পৃথকীকৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে।

- কৰ্মচাৰীসকলৰ মাজত Information Technology ৰ বৃদ্ধিৰ স্বাৰ্থত পৰিষদৰ তত্বাধানত এক Computer Training Centre স্থাপনৰ বাবে যাৱতীয় সাহায্য আগবঢ়াবলৈ পৰিষদে ৰাজ্য চৰকাৰক আহ্বান জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

**দৰমহা আয়োগক স্মাৰকপত্ৰ ঃ** ৰাজ্য চৰকাৰে ৩০ মে' ২০০৮ তাৰিখে গঠন কৰা দৰমহা আয়োগে সদৌ অসম কৰ্মচাৰী পৰিষদৰ লগতে অন্যান্য সংগঠন সমূহলৈ প্ৰেৰণ কৰা প্ৰশ্নাৱলীৰ উত্তৰ দাখিল কৰাৰ বাবে জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিতত পৰিষদৰ তৰফৰ পৰা যথাযোগ্য প্ৰশ্নৰ উত্তৰ সম্বলিত এখন স্মাৰকপত্ৰ যোৱা ১৮ আগষ্টত অসম দৰমহা আয়োগৰ ওচৰত দাখিল কৰা হয়। আয়োগে যোৱা ২৫/২/২০০৯ তাৰিখে সাক্ষ্য প্ৰদানৰ বাবে আমন্ত্ৰণ জনোৱাত পৰিষদৰ সভাপতি সম্পাদক প্ৰধানসহ ৫ জনীয়া প্ৰতিনিধি দলৰ দ্বাৰা সাক্ষ্য দান কৰা হয়। সাক্ষ্য দানৰ সময়ত পৰিষদৰ দ্বাৰা উত্থাপিত দাবী সমূহ কাৰ্য্যকৰীকৰণৰ লগতে সংশ্লিষ্ট সকলো সংগঠনকে সাক্ষ্যদানৰ সুবিধা দিয়া, সময়মতে প্ৰতিবেদন দাখিল কৰাৰ বাবেও অনুৰোধ জনোৱা হয়।

**ত্ৰয়োদশ বিত্ত আয়োগক স্মাৰকপত্ৰ ঃ** কেন্দ্ৰীয় চৰকাৰে গঠন কৰা ত্ৰয়োদশ বিত্ত আয়োগৰ প্ৰতিনিধি যোৱা ১৭, ১৮ ডিচেম্বৰ/২০০৮ তাৰিখে অসমলৈ আহি ৰাজ্য চৰকাৰ, বিভিন্ন দল সংগঠনক সাক্ষাত কৰে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ তৰফৰ পৰা ১৮ ডিচেম্বৰ/২০০৮ তাৰিখে গুৱাহাটীৰ প্ৰশাসনীয় মহাবিদ্যালয়ত আয়োগৰ প্ৰতিনিধিক সাক্ষাত কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়। স্মাৰকপত্ৰ প্ৰদানৰ সময়ত আয়োগৰ লগত অন্তৰংগ আলোচনাত মিলিত হৈ ৰাজ্যিক কৰ্মচাৰী সকলৰ দৰমহাৰ সংশোধনীৰ নামত হ'ব পৰা অতিৰিক্ত ব্যয়ৰ সমূদায় ধন আদায় দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনোৱা হয়।

OKDISCD

**অনুকম্পা আৰু পাহাৰীয়া ভাট্টা ঃ** ১৯৯৪ চনত গঠিত ৫ম অসম দৰমহা আয়োগে ১/১/৯৬ তাৰিখৰ পৰা ৫ বছৰ সম্পূৰ্ণ হ'লেই পাহাৰী জিলা দুখনৰ কৰ্মচাৰীসকলে লাভ কৰি থকা পাহাৰীয়া ভাট্টা ৫ শতাংশ আৰু ধেমাজি, মাজুলী, ঢকুৱাখানা, জোনাই, শদিয়াৰ কৰ্মৰত শিক্ষক, কৰ্মচাৰীসকলে লাভ কৰি থকা ৫ শতাংশ অনুকম্পামূলক ভাট্টা বন্ধ কৰাৰ বাবে দিয়া পৰামৰ্শৰ ভিত্তিত ২০০১ জানুৱাৰী মাহৰ পৰা উক্ত ভাট্টা বন্ধ কৰিছিল । পৰিষদৰ দাবীত ৩১/৫/০৪ তাৰিখে HAD/102/83/2007/121 আৰু AAP/44/2004/04 নিৰ্দেশনাযোগে ক্ৰমে পাহৰীয়া ভাট্টা আৰু অনুকম্পামূলক ভাট্টা পুনৰ মুকলি কৰি দিয়ে। ধেমাজি, মাজুলী, জোনাই আদি অঞ্চলৰ দৰে মৰিগাওঁ জিলা, মানকাছাৰ, কৰ্মৰত শ্ৰমিক, কৰ্মচাৰী, শিক্ষক, বিষয়াসকললৈ ক্ষতিপূৰণ ভাট্টা দিয়াৰ বাবে ৰাজ্য চৰকাৰক আহ্বান জনালো।

**কৰ্মচাৰী ভৱন নিৰ্মাণ ঃ** সদীৰ্ঘ ২৫ বছৰ অতিক্ৰম কৰাৰ পিছতো কেন্দ্ৰীয় কাৰ্য্যালয়ৰ বাবে এটুকুৰা মাটি আবন্টন ল'ব নোৱাৰাটো চৰম বিফলতা। মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ তথা ৰাজহ বিভাগৰ আন্তৰিকতাপূৰ্ণ সহযোগিতাৰ বাবে ২২/১২/০৫ তাৰিখৰ ৰাজহ বিভাগ RSS 724/2001/44 নম্বৰ চিঠি মৰ্মে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ওচৰত শিল্পগ্ৰামলৈ যোৱা পথত এক বিঘা মাটি আবন্টন দিছে। উক্ত মাটিত পৰিষদৰ কাৰ্য্যালয় ভৱন নিৰ্মাণৰ বাবে কাম আৰম্ভ কৰা হৈছে। কৰ্মচাৰী ভৱন নিৰ্মাণ সমিতিয়ে বৰঙণি সংগ্ৰহৰ বাবে ১০ টকীয়া, ১০০ টকীয়া, ৫০০ টকীয়া আৰু ১০০০ টকীয়া কুপন মুকলি কৰি দিছে। কিছুসংখ্যক জিলা সমিতি আৰু সংগঠনে কুপনৰ জৰিয়তে ধন সংগ্ৰহত সহযোগ কৰিছে যদিও ধন সংগ্ৰহ সঠিক নোহোৱাত নিৰ্মাণৰ কাম লেহেমীয়া হৈছে। মৰিগাওঁ অধিবেশনত কিছু জিলা পৰিষদ, সংগঠন আৰু কিছুৱে ব্যক্তিগতভাৱে বৰঙণি আদায় দিয়াৰ বাবে প্ৰতিশ্ৰুতি দিছিল, কিন্তু সময়মতে আদায় নিদিয়াত নিৰ্মাণৰ কামত যথেষ্ট অসুবিধা হৈছে। ইতিমধ্যে কেন্দ্ৰীয় কাৰ্য্যনিৰ্ব্বাহক সভাই বৰঙণি বহীত পাঁচ হাজাৰতকৈ অধিক বৰঙণি দিলে নামফলকত নাম সন্নিবিষ্ট কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন জিলা, সংগঠনৰ বিষয়-ববীয়াই নিৰ্মাণ সমিতিৰ নামত ছপা কৰা কুপন সংগ্ৰহ কৰি বৰ্তমানলৈ ধন আদায় দিয়া নাই সেই সকলক শীঘ্ৰে আদায় দিয়াৰ বাবে আহ্বান জনালো।

অৱশ্যে পৰিষদৰ আহ্বানত গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৰাজ্যিক কৰ্মচাৰী অভিবৰ্ত্তনৰ ৰাহি ধন ২ লাখ টকা আৰু প্ৰায় ৫০ হাজাৰ টকাৰ কাৰ্য্যালয়ৰ সামগ্ৰী ক্ৰয় কৰি দিয়াত গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদক কৃতজ্ঞতা জনালো।

**মৰগীয়া বানচৰ বকেয়া নগদ আদায় ঃ** ১৯৯৮ চনৰ পিছৰ পৰাই ৰাজ্য চৰকাৰে কৰ্মচাৰী সকলৰ বাবে মৰগীয়া বানচৰ বকেয়া GPF ত জমা কৰাতো

নিয়মত পৰিণত হৈছিল। আৰ্থিক সংকটৰ দোহাই দিয়ে হওক নাইবা কৰ্মচাৰী সকলক বঞ্চিত কৰি ৰখাৰ প্ৰবণতাই হওক, সময়মতে মৰগীয়া বানচৰ ধনখিনি মুকলি কৰি নিদিয়াৰ ফলত কৰ্মচাৰীসকলৰ বকেয়া সমূহ GPF ত জমা কৰাৰ বাবে নিৰ্দেশনা দিয়া হয় যদিও আজি পৰ্য্যন্ত বহু শিক্ষক, কৰ্মচাৰীৰ ধন GPF ত জমা হোৱা নাই বুলি অভিযোগ উত্থাপিত হোৱাত ১/৭/২০০৫ তাৰিখৰ পৰা আদায় দিবলগীয়া মৰগীয়া বানচৰ বকেয়া নগদ হিচাপে আদায় দিয়াৰ বাবে ৰাজ্য চৰকাৰক দাবী জনোৱা হৈছিল। পৰিষদে উত্থাপন কৰা দাবীত মুখ্যমন্ত্ৰীয়ে সন্মতি প্ৰকাশ কৰাত সুদীৰ্ঘ আঠ বছৰৰ মূৰত ৰাজ্যিক শিক্ষক, কৰ্মচাৰীয়ে মৰগীয়া বানচৰ বকেয়া নগদ হিচাপে আদায় পাবলৈ সক্ষম হৈছে।

**অসম চুক্তি ৰূপায়ণ ঃ** অসম চুক্তি স্বাক্ষৰিত হোৱাৰ সুদীৰ্ঘ ২০ বছৰৰ অন্তত চুক্তিৰ কেইটামান দফা কাৰ্য্যকৰী কৰাৰ বাবে সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত কেইবালানি আলোচনা হোৱাটো আশাব্যঞ্জক বুলি পৰিষদে অনুভৱ কৰে। দফা সমূহ কাৰ্যকৰী কৰাৰ বাবে এক সময় নিৰ্দ্ধাৰিত কাৰ্যসূচী ঘোষণা কৰি কাম আৰম্ভ কৰিব লাগে। অসমলৈ বিদেশী নাগৰিকৰ অনুপ্ৰৱেশ বন্ধ কৰা হওঁক আৰু যথাসম্ভৱ সোনকালে অসম ভূমিৰ পৰা বহিষ্কাৰ কৰাটো নিশ্চিত হওঁক। এখন শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী তৈয়াৰ কৰা হওঁক, সীমান্ত এলেকাত কাঁইটীয়া তাঁৰৰ বেৰৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰা হওঁক। ৰাজনৈতিক লাভালাভৰ চিন্তা-চৰ্চ্চাৰ উৰ্দ্ধত অসমবাসীৰ উন্নয়নৰ স্বাৰ্থত গ্ৰহণ কৰা সকলো ব্যৱস্থাৱলীত সৰ্বাত্মক সহযোগিতা আগবঢ়োৱাৰ বাবে পৰিষদ সাজু। ২২/১১/২০০৮ তাৰিখে অসম চুক্তিৰ ওপৰত গুৱাহাটীত সদৌ অসম কৰ্মচাৰী পৰিষদে এক ৰাজ্যিক অভিবৰ্ত্তন অনুষ্ঠিত কৰি তেনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে; কিন্তু শেহতীয়া ভাৱে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী সন্দৰ্ভত হোৱা বিতৰ্ক এৰাই চলাৰ বাবে শীঘ্ৰে সংশ্লিষ্ট পক্ষসমূহে আলোচনাত মিলিত হোৱাটো পৰিষদে কামনা কৰে।

● আলফাৰ লগত আৰম্ভ হোৱা শান্তি আলোচনা কোনো কাৰণতে কোনো পক্ষৰ দ্বাৰা ব্যাহত হোৱাৰ পৰিবেশ সৃষ্টি নকৰিবলৈ পৰিষদে সকলো পক্ষলৈ আহ্বান জনায় আৰু অন্যান্য বিদ্ৰোহী সংগঠনৰ লগতো আলাপ-আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে আহ্বান জনায়।

● কাৰ্বিআংলং আৰু উত্তৰ কাছাৰ স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনত উগ্ৰপন্থীৰ আক্ৰমণত মৃত্যুবৰণ কৰা কৰ্মচাৰীসকলক ততালিকে কাৰ্য্যকৰী হোৱাকৈ উপযুক্ত পৰিমাণৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হওক।

● সদৌ অসম কৰ্মচাৰী পৰিষদৰ সদস্যভুক্ত সকলো সম্থা, সংঘ, সন্মিলনীয়ে দাখিল কৰা দাবী চনদৰ ওপৰত সংশ্লিষ্ট কৰ্ত্তৃপক্ষ সমূহে/বিভাগে সংগঠন সমূহৰ লগত আলোচনাৰে দাবী সমূহ মীমাংসা কৰিবলৈ পৰিষদে দাবী উত্থাপন কৰাৰ লগতে প্ৰয়োজনবোধে সদৌ অসম কৰ্মচাৰী পৰিষদৰ নেতৃত্বই সমন্বয়ৰক্ষীৰ দায়িত্ব পালন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

**পদোন্নতি ঃ** তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ পদোন্নতিৰ ক্ষেত্ৰত SLEC আৰু বিভাগীয় মন্ত্ৰীৰ অনুমোদনৰ বাবে নথি সমূহ প্ৰেৰণ কৰা ব্যৱস্থাত অযথা বিলম্ব আৰু তাৰে পৰিপ্ৰেক্ষিতত কৰ্মচাৰী সকলে প্ৰাপ্য পদোন্নতিৰ পৰা বঞ্চিত হ'ব লগা পৰিস্থিতি দূৰীকৰণৰ বাবে বিত্ত বিভাগৰ ১৯/৩/২০০৪ তাৰিখ BW.15/2002/107/76 নিৰ্দেশনা যোগে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পদোন্নতি নিযুক্তিপ্ৰাপ্ত বিষয়াই দিয়াৰ কৰ্ত্তৃত্ব অৰ্পণ।

● ১৮ জুলাই/২০০৬ তাৰিখে পৰিষদ আৰু মুখ্যমন্ত্ৰীৰ মাজত হোৱা আলোচনাৰ সিদ্ধান্ত মৰ্মে FPC 11/99/59 dt. 27/12/06 নিৰ্দেশমৰ্মে প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সকলৰ বাবে ৫০ টকাৰ পৰিবৰ্ত্তে ৭৫ টকা বিশেষ ভাট্টা (Special Pay) আদায়।

● অৱসৰ গ্ৰহণৰ ৪ বছৰ পূৰ্ব্বে দেশৰ অন্যান্য স্থানলৈ পৰিয়াল সহ এবাৰ ভ্ৰমণৰ বাবে থকা সুবিধা ৰাজ্য চৰকাৰৰ লগত হোৱা আলোচনা মৰ্মে বিত্ত বিভাগৰ FM 16/2006/10 dt. 4/10/06 কাৰ্য্যালয় স্মাৰক অৱসৰ গ্ৰহণৰ ৮ বছৰৰ ভিতৰত যাব পৰা ব্যৱস্থা গ্ৰহণ।

● ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে ১০ শতাংশ আৰু ১৫ শতাংশ মুঠ ২৫ শতাংশ অন্তৰ্বৰ্ত্তীকালিন সকাহ ক্ৰমে এপ্ৰিল, ২০০৮ আৰু জানুৱাৰী, ২০০৯ তাৰিখৰ পৰা আদায়।

**শ্ৰদ্ধাৰ সতীৰ্থ সকল ঃ**

আমি অতি আনন্দেৰে কব পাৰো যে পৰিষদৰ দাবী সমূহ আৰু স্বীকৃতিপ্ৰাপ্ত সংগঠনৰ সমস্যাসমূহ পৰীক্ষা কৰাৰ বাবে পূৰ্ব্বৰ অতিৰিক্ত মুখ্য সচিব এছ. কাবিলনৰ নেতৃত্বত গঠন কৰি দিয়া পৰীক্ষামূলক কমিটিয়ে পৰিষদৰ নেতৃত্বৰ লগত ২০০৩ চনৰ ১৪ ছেপ্তেম্বৰত বিশদ আলোচনা কৰাৰ পিছত পৰ্য্যায়ক্ৰমে অসমৰ মুখ্যমন্ত্ৰী, মুখ্যসচিবৰ লগত কেইবালানিও আলোচনা কৰা হৈছে। সদৌ অসম কৰ্মচাৰী পৰিষদক অসম মন্ত্ৰীসভা, ৰাজ্য চৰকাৰে ৰাজ্যখনৰ শ্ৰমিক কৰ্মচাৰী শিক্ষক বিষয়াৰ একমাত্ৰ যৌথ সংগঠন হিচাপে চিহ্নিত কৰাত এই ছেগতে আমাৰ তৰফৰ পৰা ধন্যবাদ জনাইছো।

OKDISCD

**ৰাজ্য চৰকাৰৰ লগত আলোচনা ঃ**

- ২০০৩ চনৰ ১৯ ডিচেম্বৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, ৰাজ্যিক বিত্তমন্ত্ৰী শ্ৰীনীলমণি সেন ডেকা, মুখ্য সচিব জে পি ৰাজখোৱাকে ধৰি উচ্চ পদস্থ বিষয়াবৰ্গ আৰু পৰিষদৰ কৰ্ণধাৰ সমিতিৰ সদস্য সকলৰ মাজত আনুষ্ঠানিক আলোচনা।
- ২০০৪ চনৰ ২১ ফেব্ৰুৱাৰীত মাননীয় মুখ্যমন্ত্ৰী মুখ্যসচিবকে ধৰি উচ্চ পদস্থ বিষয়া সকলৰ উপস্থিতিত পৰিষদৰ কৰ্ণধাৰ সমিতিৰ মাজত আলোচনা।
- ২০০৫ চনৰ ১ জুন তাৰিখে মুখ্যমন্ত্ৰী, ৰাজ্যিক বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপৰিও অসম চৰকাৰৰ মুখ্যসচিব, বিত্ত আয়ুক্ত, শিক্ষা আয়ুক্তকে ধৰি উচ্চ পদস্থ বিষয়া সকলৰ উপস্থিতিত পৰিষদৰ কৰ্ণধাৰ সমিতিৰ আলোচনা।
- ২০০৬ চনৰ ১৮ জুলাইত মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, অসম চৰকাৰৰ মুখ্যসচিব, বিত্ত আয়ুক্ত, শিক্ষা আয়ুক্তকে ধৰি উচ্চ পদস্থ বিষয়া আৰু পৰিষদৰ কৰ্ণধাৰ সমিতিৰ মাজত আলোচনা।
- ২০০৭ চনৰ ২ জানুৱাৰীত মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্য সচিব শ্ৰীপ্ৰফুল্ল শৰ্মাৰ উপৰিও স্বাস্থ্য বিভাগৰ প্ৰধান সচিব, শিক্ষা বিভাগৰ আয়ুক্ত সচিবকে ধৰি উচ্চ পদস্থ বিষয়াসকলৰ উপস্থিতিত পৰিষদৰ কৰ্ণধাৰ সমিতিৰ লগত আলোচনা।
- ২০০৭ চনৰ ৮ নৱেম্বৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, কেবিনেট উপসমিতিৰ অধ্যক্ষ তথা ৰাজহ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন, অসম চৰকাৰৰ বিত্ত বিভাগৰ প্ৰধান সচিব, বিত্ত আয়ুক্ত, শিক্ষা আয়ুক্তকে ধৰি উচ্চ পদস্থ বিষয়া আৰু কৰ্ণধাৰ সমিতিৰ মাজত আলোচনা।
- ২০০৮ চনৰ ৩০ ডিচেম্বৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ, মুখ্য সচিব শ্ৰীপ্ৰফুল্ল শৰ্মাৰ উপৰিও স্বাস্থ্য বিভাগৰ প্ৰধান সচিব, শিক্ষা বিভাগৰ আয়ুক্ত সচিবকে ধৰি উচ্চ পদস্থ বিষয়াসকলৰ উপস্থিতিত পৰিষদৰ কৰ্ণধাৰ সমিতিৰ লগত আলোচনা।

পৰিষদৰ দাবীসমূহ মীমাংসাৰ স্বাৰ্থত আনুষ্ঠানিক আলোচনাৰ বাহিৰেও মুখ্যমন্ত্ৰী, উচ্চ পদস্থ বিষয়াসকলৰ লগত সময়োচিত ভাবে যোগাযোগ ৰখা হৈছে। পৰিষদৰ লগত আলোচনাৰ মাধ্যমত মীমাংসিত হোৱা পৰৱৰ্ত্তী সময়ত ৰাজ্য চৰকাৰে কাৰ্য্যকৰী কৰা বিষয়সমূহৰ থূলমূল আভাষ ইতিমধ্যে ওপৰত উল্লেখ কৰা হৈছে।

OKDISCD

**শ্ৰদ্ধেয় শিক্ষক, কৰ্মচাৰী সকল,**

সদৌ অসম কৰ্মচাৰী পৰিষদৰ জন্ম হৈছিল অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ পটভূমিত। বিদেশী নাগৰিক ৰাজ্যখনৰ পৰা চিনাক্তকৰণ আৰু বহিষ্কৰণত ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীসকলে কৰ্মচাৰী পৰিষদৰ পতাকাৰ তলত একে লগে একেমুখে "দেশতকৈ চাকৰি ডাঙৰ নহয়" শ্লোগানেৰে আন্দোলনটোক অধিক শক্তিশালী কৰি তুলিছিল। তেনে এক সন্ধিক্ষণত জন্ম গ্ৰহণ কৰা সদৌ অসম কৰ্মচাৰী পৰিষদ ৰাজ্যখনৰ যিকোনো জ্বলন্ত সমস্যাত আজিও মাত মাতি আহিছে। একেদৰে বানপানী সমস্যাক ৰাষ্ট্ৰীয় হিচাপে ঘোষণা কৰা, বিদ্ৰোহী সংগঠন সমূহৰ লগত শীঘ্ৰে আলোচনা কৰি ৰাজ্যখনৰ বিদ্ৰোহী সমস্যা মীমাংসা কৰা, ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীক ৰাষ্ট্ৰীয় জলপৰিবহণ হিচাপে ঘোষণা কৰা, ইয়াৰ জলৰাশিক কৃত্ৰিম ব্যৱস্থাৰে জলবিদ্যুৎ উৎপাদনৰ ব্যৱস্থা কৰা, জলসিঞ্চনৰ ব্যৱস্থা কৰি অসমৰ সাৰুৱা ভূমিত কৃষকসকল কৃষি কাৰ্য্যত ব্ৰতী হোৱাৰ বাবে উৎসাহিত কৰা, সত্ৰ-নগৰী মাজুলীৰ সুৰক্ষাৰ ব্যৱস্থা কৰা, দক্ষিণ পূৰৱ দুৱাৰ মুকলি কৰি দি ব্যৱসায়-বাণিজ্যৰ পৰিসৰ বৃদ্ধি কৰা আৰু থালকুছি, পাগলদিয়া আঁচনি সম্পূৰ্ণ কৰাকে ধৰি ৰাজ্যখনৰ উন্নয়ন আৰু শান্তিৰ স্বাৰ্থত ৰাজ্য চৰকাৰে শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব বুলি মত পোষণ কৰে। ৰাজ্যখনত চলি থকা হিংসাত্মক কাৰ্য বন্ধ কৰি সংশ্লিষ্ট সকলো পক্ষকে শান্তিপ্ৰক্ৰিয়া অব্যাহত ৰখাৰ বাবে আহ্বান জনোৱা হৈছে। অসম চুক্তি ৰূপায়ণৰ নামত বিগত বছৰটোত হোৱা ত্ৰিপাক্ষিক আলোচনাত বানপানী সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে যিহেতু প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিছে, সেয়েহে উক্ত সমস্যা বাস্তৱসন্মত ভাবে আৰু বিজ্ঞানসন্মত ভাবে মাষ্টাৰ প্ল্যান যুগুত কৰি স্থায়ী সমাধান কৰাৰ ব্যৱস্থা কৰা হওক বুলি পৰিষদৰ তৰফৰ পৰা আহ্বান জনোৱা হ'ল।

**মূল্যবৃদ্ধি ৰোধ ঃ**

আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত ভাৰতবৰ্ষৰ বিভিন্ন চুক্তি, বিশ্বায়নৰ নামত পৃথিৱীখন এখন সৰু গাঁৱলৈ পৰ্য্যবেশিত কৰাত সাধাৰণ কৃষক ৰাইজ, শ্ৰমিক, নিম্ন বেতনভোগী কৰ্মচাৰীসকল মাত্ৰ জীয়াই থকাৰ তাৰণাত ককবকাই থাকিবলগীয়া হৈছে। আন্তৰাষ্ট্ৰীয় বজাৰ একেখন হোৱাত সামগ্ৰীৰ মূল্য আকাশলঙ্ঘী ভাৱে বৃদ্ধি হোৱাত, মাহত দুই তিনিবাৰকৈ পেট্ৰোল, ডিজেল, ৰন্ধন গেছৰ দাম উঠা নমা হোৱাত এচামৰ ক্ৰয় ক্ষমতা নাইকীয়া হৈছে আৰু এচাম ৰাতিটোৰ ভিতৰতে অগাধ সম্পত্তিৰ মালিক হৈছে। এচাম মুনাফালোভী ব্যৱসায়ীয়ে নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ দাম দিনক-দিনে বৃদ্ধি কৰিছে। বজাৰ নিয়ন্ত্ৰণত ৰাজ্য চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। বৃহৎ উদ্যোগপতি সকলে লাহ-বিলাসৰ সামগ্ৰী সহজলভ্য ঋণৰ জৰিয়তে বজাৰত মুকলি কৰি দিছে আৰু আনহাতে উক্ত সামগ্ৰীৰ লগত প্ৰতিদিনে কৰিবলগীয়া খৰছৰ মূল্য বৃদ্ধি কৰি

দি সেইসকল নিম্ন আয়ৰ লোকক কোঙা কৰি পেলাইছে। ২০০৮ চনৰ চেপ্তেম্বৰ মাহৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক সংশোধিত হাৰত দৰমহা আদায় দিয়া, লোকসভাৰ নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ পিছত সামগ্ৰীৰ দাম অত্যাধিক হাৰত বৃদ্ধি পোৱা বুলিও ভবাৰ থল আছে। সেয়েহে পৰৱৰ্ত্তী সময়ত সৰ্বসাধাৰণ ৰাইজ, নিম্ন বেতনভোগী শ্ৰমিক, কৰ্মচাৰী সকলক বৃহৎ মালিক গোষ্ঠীৰ কবলৰ পৰা পৰিত্ৰাণ পাবৰ বাবেও জনমত সৃষ্টি কৰাৰ থল থাকিব। থলুৱা সামগ্ৰী উৎপাদন আৰু ব্যৱহাৰৰ বাবে সজাগ কৰিব নোৱাৰিলে এটা সময়ত নিশ্চিহ্ন হোৱাৰ উপক্ৰম হ'ব। অসমীয়া জাতিটোৰ স্বাৰ্থত এনেবোৰ বিষয়ত কৰ্মচাৰী, শিক্ষক সকলক জড়িত কৰাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। অসম চৰকাৰৰ যোগান বিভাগটো অধিক কাৰ্য্যক্ষম কৰি তুলিলেও নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ মুল্যবৃদ্ধি কিছু পৰিমাণে ৰোধ হোৱাৰ থল আছে।

## কাৰ্য্যালয়ত ৰাজ্যভাষা প্ৰয়োগ ঃ

অসম চৰকাৰৰ ভাষা আইন ১৯৬০, অসম চৰকাৰী ভাষা নিয়মাৱলীৰ ধাৰা ৩ (ঘ)ত উল্লেখ কৰিছে, ভাৰতীয় সংবিধান অনুযায়ী ৰাজ্যিক চৰকাৰে জাৰি কৰা সকলো আদেশ, বিনিময়, নিয়মাৱলী উপবিধি বা সংসদ নাইবা ৰাজ্যিক বিধান সভাৰ দ্বাৰা প্ৰণীত যিকোনো আইন ৰাজপত্ৰত অসমীয়া ভাষাকে প্ৰণীত হ'ব। তেনেদৰে স্বায়ত্ব শাসিত অঞ্চল, কাছাৰ জিলা আৰু বড়ো অধ্যুষিত অঞ্চলৰ বাবেও ভাষা আইনে স্পষ্ট নীতি নিৰ্দেশনা দিছে। চৰকাৰী ভাষা নিয়মাৱলী ১৯৭০ ৰ ৬ ধাৰামতে ৰাজ্যিক চৰকাৰৰ দ্বাৰা প্ৰেৰণ কৰা সকলো চৰকাৰী প্ৰপত্ৰ বা চাৰ্কোলাৰ, অধিসূচনা, সংবাদপত্ৰ, বিজ্ঞপ্তি বা প্ৰেছ নোট, প্ৰশাসনীয় নিৰ্দেশনা ইংৰাজী অনুবাদেৰে সৈতে অসমীয়াত প্ৰকাশ হ'ব। তাৰোপৰি চৰকাৰী কৰ্মচাৰীৰ নিযুক্তি, পদত স্থাপন, বদলি, পদোন্নতি, দণ্ড সম্পৰ্কীয় আদেশ, চৰকাৰী গেজেটত দিয়া বিজ্ঞাপন, টেণ্ডাৰ আদি ইংৰাজী অনুবাদৰ সৈতে অসমীয়াত প্ৰকাশ কৰা হ'ব। আনহাতে ১৯৭৮ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হোৱা অখিল ভাৰতীয় ৰাজ্যিক ভাষা সন্মিলনে ৰাজ্যিক ভাষাৰ কামৰ বাবে প্ৰয়োজন হোৱা মুদ্ৰালেখন যন্ত্ৰ, কৰ্মী, টেলিপ্ৰিন্টাৰ আদিৰ বাবে বিত্তীয় মঞ্জুৰী দিয়াৰ পৰামৰ্শ দিছে। কিন্তু দুৰ্ভাগ্যজনক ভাবে কাৰ্য্যালয় সমূহত বৰ্ত্তমান অসমীয়া ভাষা ব্যৱহাৰৰ বাবে মুদ্ৰালেখন যন্ত্ৰ পাবলৈ নাই। বিষয়া সমূহৰ কোঠাত কম্পিউটাৰ সোমাইছে যদিও অসমীয়া ভাষাৰ ব্যৱহাৰ নাই। অসমীয়া ভাষা ব্যৱহাৰ কৰিলে নিজকে হীনমান্যতাত ভোগাও দেখা যায়। গতিকে মাতৃ ভাষা ব্যৱহাৰৰ বাবে শ্লোগান দিয়াৰ বাহিৰে কাৰ্য্যতঃ কাৰ্য্যালয়ৰ পৰা ভাষাটো পলাই পত্ৰং দিছে।

আমি প্ৰত্যয় পোষণ কৰিছো, কাৰ্য্যালয়ত ৰাজ্যিক ভাষাত কাম-কাজ কৰাৰ বাবে বিষয়া-কৰ্মচাৰীসকলে নিজে আগভাগ লওঁক। প্ৰশাসনীয় কাম-কাজসমূহ

OKDISCD

জনাসাধাৰণৰ ওচৰলৈ নিয়াৰ ব্যৱস্থা কৰা হওঁক বা বেচৰকাৰীয়ে হওঁক অসমৰ প্ৰতিখন বিদ্যালয়ত মাতৃভাষাত অন্ততঃ দশম মানলৈ শিক্ষা গ্ৰহণ কৰাতো বাধ্যতামূলক কৰা হওঁক।

**কৰ্মযুগ প্ৰকাশ ঃ**

সদৌ অসম কৰ্মচাৰী পৰিষদৰ তত্বাৱধানত 'কৰ্মযুগ' নামৰ এখন তিনিমহীয়া বাৰ্ত্তালোচনী প্ৰকাশৰ দিহা কৰা হৈছে। প্ৰতিটো সংখ্যাত দুই এটা মনোগ্ৰাহী প্ৰবন্ধৰ লগতে জিলা কৰ্মচাৰী পৰিষদ সমূহৰ বা-বাতৰি, ৰাজ্য চৰকাৰৰ বিভিন্ন নিৰ্দেশনা প্ৰকাশৰ ব্যৱস্থা কৰাত গৰিষ্ঠ সংখ্যকে আকোৱালি লৈছে। এইখিনিতে উল্লেখ নকৰি নোৱাৰিলো যে, কেইখনমান জিলা কৰ্মচাৰী পৰিষদ, কিছু সংখ্যক সন্থা, সংঘই কৰ্মযুগ আগ্ৰহেৰে গ্ৰহণ কৰাৰ বিপৰীতে কিছু সংখ্যক জিলা কৰ্মচাৰী পৰিষদ আৰু সন্থাই সম্পূৰ্ণ নিৰৰতা অবলম্বন কৰা দেখা গৈছে। আমি আশা ৰাখিছো পৰিষদৰ কাম-কাজ আৰু সাংগঠনিক দিশসমূহ শিক্ষক, কৰ্মচাৰীৰ মাজলৈ লৈ যোৱাৰ স্বাৰ্থত প্ৰত্যেকে কৰ্মযুগৰ বহুল প্ৰচাৰত মনোনিবেশ কৰিব।

**ৰাজ্যিক শিক্ষক, কৰ্মচাৰী ন্যাস পুঁজি ঃ**

শিক্ষক, কৰ্মচাৰী সতীৰ্থ সকলৰ নিজৰ বা পৰিয়ালৰ আকস্মিক ভাবে কোনো দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ ৰাজ্যৰ বাহিৰলৈ উন্নত চিকিৎসাৰ বাবে যাবলগীয়া হ'লে আৰু কৰ্মচাৰীৰ পুত্ৰ-কন্যাৰ উচ্চ শিক্ষাৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে কৰ্মচাৰী সাহায্য ন্যাস গঠনৰ এক পৰিকল্পনা কৰি ২০০৫ চনৰ জানুৱাৰী মাহত নগাওঁত অনুষ্ঠিত হোৱা অধিবেশনত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কিন্তু পৰিষদৰ নিজা কাৰ্য্যালয় ভৱন হৈ নুঠাত "ৰাজ্যিক শিক্ষক, কৰ্মচাৰী ন্যাস" গঠন প্ৰক্ৰিয়া আৰু ইয়াৰ কাৰ্যকৰীকৰণ কৰাৰ বাবে আগবাঢ়িব পৰা নাই। আগন্তুক দিনত ইয়াক কাৰ্যকৰী কৰিব পাৰিলে আমাৰ শ্ৰমিক, কৰ্মচাৰীৰ যথেষ্ট সুবিধা হোৱাৰ থল আছে।

**সীমা সমস্যা ঃ**

ভাৰত আৰু বাংলাদেশৰ সীমাত অসম চুক্তি অনুসৰি কাইটীয়া তাৰৰ বেৰ সম্পূৰ্ণ কৰাৰ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আনহাতে আন্তঃৰাজ্যিক সীমা সমস্যা যেনে নগালেণ্ড, অৰুণাচল আৰু মেঘালয়ৰ লগত অসমৰ সীমা বিবাদৰ বাবে ৰাজ্য সমূহৰ মাজত অদূৰ ভৱিষ্যতে ভাতৃত্ববোধ ব্যাহত হোৱাৰ থল আছে। অসমৰ মাটিত নগালেণ্ড আৰু মেঘালয়ে কৰা বেদখল ৰাজ্যখনৰ জনসাধাৰণৰ মাজত অসন্তুষ্টিয়ে দেখা দিছে।



OKDISCD

## কৰ্ম-সংস্কৃতি আৰু দুৰ্নীতি ঃ

ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থত পৰিষদে শিক্ষানুষ্ঠান, কাৰ্য্যালয় সমূহত আন্দোলন বৰ্জিত পৰিবেশ সৃষ্টি কৰি প্ৰতিজন শিক্ষক, কৰ্মচাৰীয়ে নিজৰ কৰ্তব্য সম্পাদন কৰাত গুৰুত্ব প্ৰদান কৰিছে। শিক্ষক, কৰ্মচাৰীৰ সমস্যা সমূহ আলোচনাৰ মেজত মীমাংসা কৰাৰ চেষ্টা অব্যাহত ৰখা হৈছে। আমাৰ প্ৰচেষ্টাক ৰাজ্য চৰকাৰে অধিক গুৰুত্ব প্ৰদান কৰি নেতৃত্বৰ লগত আলোচনা অব্যাহত ৰাখিব বুলি প্ৰত্যয় পোষণ কৰিছো । শিক্ষক, কৰ্মচাৰীৰ মৌলিক সমস্যাসমূহ পৰ্য্যায়ক্ৰমে মীমাংসা কৰি পুনৰ ৰাজপথলৈ ওলাই যাবলৈ বাধ্য নকৰিব বুলিও পৰিষদে আশা ৰাখিছে যাতে এক সুস্থ বাতাবৰণত প্ৰত্যেকে নিজৰ কৰ্তব্য সম্পাদন কৰিব পাৰে। কিন্তু বিভিন্ন বিভাগত বিষয়া-কৰ্মচাৰীৰ হাতত বিষয়া-কৰ্মচাৰীয়ে হাৰাশাস্তি হোৱাৰ অভিযোগ প্ৰায়ে শুনা যায়। ৰাজনৈতিক নেতা-পালিনেতা, দালাল চক্ৰৰ জৰিয়তে একাংশ বিষয়াই আঁচনিৰ ধন যেনেদৰে লুন্ঠন কৰিছে, তেনেদৰে নিজৰ একাংশ সতীৰ্থই সতীৰ্থকে বিনিময় অবিহনে সহযোগ নকৰা অভিযোগৰ বাবে হতাশ হবলগীয়া হৈছে। এনে দুৰ্নীতিৰ বাবে সতীৰ্থৰ মাজতে বিশ্বাস ভংগ হোৱাৰ থল থাকিব। ৰাজ্য চৰকাৰে পৰিকল্পনা, পৰিকল্পনা বহিঃৰ্ভুত বাজেটৰ ধন বিত্তীয় বৰ্ষৰ শেষ মুহুৰ্ত্তত মঞ্জুৰী দি ধন মুকলি কৰা ব্যৱস্থা বন্ধ কৰি বছৰটোৰ আৰম্ভণি বা মাজভাগত মুকলি কৰিলে ৰাজ্যখনৰ উন্নয়নমূলক কাম ত্বৰান্বিত হ'ব বুলি ভবাৰ থল আছে। এনে ব্যৱস্থাত ৰাজকোষৰ ধন অপচয়, লুন্ঠন তথা দুৰ্নীতিৰোধ হ'ব বুলি আশা কৰিব পাৰি। আমি প্ৰত্যয় পোষণ কৰিছো, আগন্তুক দিনবোৰত এখন দুৰ্নীতিমুক্ত সমাজ গঢ়াত সকলোৱে সহযোগ কৰিব।

## চিকিৎসা খৰছ আদায় (Medical Reimbursement) :

ৰাজ্য চৰকাৰৰ শিক্ষক কৰ্মচাৰী বিষয়াসকলৰ পৰিয়ালৰ চিকিৎসা খৰছ ৰাজ্য চৰকাৰে বহন কৰি আহিছে। কিন্তু একাংশ দুৰ্নীতিপৰায়ণ শিক্ষক কৰ্মচাৰীয়ে দালাল শ্ৰেণীৰ সহযোগত ভুৱা বিলৰ জৰিয়তে ৰাজকোষৰ পৰা কৌটি টকা আত্মসাৎ কৰা বিষয়টো পোহৰলৈ অহাত আৰু প্ৰকৃত ৰোগীয়ে চিকিৎসা খৰছ সময়মতে আদায় নোপোৱা বিষয়টো ৰাজ্য চৰকাৰক আলোচনা কালত দৃষ্টি গোচৰ কৰা হৈছে। ইতিমধ্যে চিকিৎসা খৰছ আদায় দিয়া সন্দৰ্ভত থকা নীতি-নিৰ্দেশনা স্বাস্থ্য বিভাগে কিছু সাল-সলনি কৰিছে।

## শিক্ষকৰ সমস্যা ঃ

ৰাজ্যখনৰ শিক্ষানুষ্ঠান সমূহত শিক্ষক নিযুক্তিৰ কোনো স্পষ্ট নীতি নথকাত একাংশ ৰাজনৈতিক নেতা, দালাল আৰু দুৰ্নীতিপৰায়ণ বিষয়াই যোৱা দুটা দশকত

OKDISCD

প্ৰয়োজনতকৈ অধিক শিক্ষক নিযুক্তি দিয়াত প্ৰায়বোৰ জিলাত শিক্ষকৰ দা-দৰমহা, পদ নবীকৰণ আদিত বেমেজালিয়ে দেখা দিছে। সম্প্ৰতি বিত্ত বিভাগ তথা ন্যায়ালয়ে বিষয় সমূহত হস্তক্ষেপ কৰাত বহু বিষয়াৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাও পৰিলক্ষিত হৈছে। উচ্চ ন্যায়ালয়ত দাখিল কৰা গোচৰে ভৱিষ্যতে শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াও বন্ধ কৰিছে। আমি শিক্ষানুষ্ঠান সমূহত সমানুপাতিক হাৰত শিক্ষকৰ ব্যৱস্থা কৰা আৰু খালী পদত মেধাৰ ভিত্তিত শিক্ষক নিযুক্তি দিয়াৰ পোষকতা কৰিলো। জন্মতে মৃত্যুৰ তাৰিখ লিখি দিয়া অ'বিবি শিক্ষকৰ দৰমহা ৮ বছৰলৈ মুকলি কৰি দিয়া হৈছে। সেইসকল শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা লবলৈ ৰাজ্য চৰকাৰক আহ্বান জনালো। তাৰোপৰি শিৱসাগৰ জিলাৰ শিক্ষকৰ দৰমহা মুকলি কৰি দিয়াৰ বাবে পৰিষদৰ তৰফৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**BTAD ৰ শিক্ষক কৰ্মচাৰীৰ সমস্যা ঃ**

BTAD ৰ অন্তৰ্গত কোকৰাঝাৰ, বাক্সা, ওদালগুৰি আৰু চিৰাং জিলাৰ শিক্ষক, কৰ্মচাৰীসকলৰ মাহিলী দৰমহা BTAD ৰ জৰিয়তে আদায় দিয়াৰ ব্যৱস্থা ৰখা হৈছে। দৰমহাৰ অনিশ্চয়তাৰ বাবে ইতিমধ্যে শিক্ষক, কৰ্মচাৰী সকলে হতাশাত ভুগিছে। BTAD কৰ্তৃপক্ষই ৰাজ্য চৰকাৰৰ লগত আলোচনাৰে সঠিক পদক্ষেপ গ্ৰহণ কৰাৰ বাবে আহ্বান জনোৱা হ'ল। BTAD ৰ অধীনত থকা জিলা সমূহত কোষাগাৰ, বেংক আদি স্থাপনৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষ সমূহক অনুৰোধ জনোৱা হ'ল।

**নীল বিলৰ ধন GPF ত জমা ঃ**

১/১/১৯৯৬ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ দৰমহা সংশোধন কৰি ৩১/৭/১৯৯৮ ইং তাৰিখলৈ আদায় দিবলগীয়া দৰমহাৰ বকেয়া, সময়ে সময়ে মুকলি কৰি দিয়া মৰগীয়া বানচৰ বকেয়া আজিলৈ একাংশ শিক্ষক, কৰ্মচাৰীৰ GPFত জমা নোহোৱাত সেইসকল শিক্ষক, কৰ্মচাৰী নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে। নীল বিলৰ ধন আদায় পোৱাতো নিশ্চিত কৰাৰ বাবে বিত্ত বিভাগৰ লগত আলোচনা কৰি চলিত বিত্তীয় বৰ্ষত বাজেটত ধন ধাৰ্য্য কৰি শীঘ্ৰে আদায়ৰ বাবে দাবী জনোৱা হৈছে।

**পুঁজি ঃ**

জন্মলগ্নৰে পৰা সদৌ অসম কৰ্মচাৰী পৰিষদে ঋণৰ ওপৰত কাম-কাজ চলাই যোৱাতো সকলোৰে জ্ঞাত। জিলা সমূহে আদায় দিবলগীয়া বৰঙণি সমূহ আৰু সংগঠন সমূহে বছৰেকীয়া নবীকৰণ মাচুল নিয়মীয়াকৈ আদায় নিদিয়াত পৰিষদৰ

কামকাজ সুচাৰুৰূপে আগবঢ়াই নিয়াত ভীষণ অসুবিধা পোৱা হৈছে। এই ছেগতে যিসমূহ জিলা কৰ্মচাৰী পৰিষদে বকেয়া সহ-বৰঙণি আদায় দিয়া নাই আৰু সন্থা সংঘ সমূহেও নবীকৰণ মাছুল আদায় দিয়া নাই সেই সমূহ জিলা পৰিষদ তথা সন্থা সংঘক আগন্তুক অধিবেশনত অৰ্থাৎ আজি অনুষ্ঠিত হোৱা বাৰ্ষিক সাধাৰণ সভাৰ আগেয়ে আদায় দিয়াৰ বাবে অনুৰোধ জনোৱা হ'ল।

**হিচাপ ঃ**

বছৰটোৰ জমা-খৰছৰ পৰীক্ষিত হিচাপ বেলেগে দাঙি ধৰা হৈছে। এই ছেগতে হিচাপ পৰীক্ষক শ্ৰীপ্ৰবোধ শৰ্মা আৰু শ্ৰীসত্যজিত বৰাক কৃতজ্ঞতা জনালো।

**সাংগঠনিক দিশ ঃ**

সদৌ অসম কৰ্মচাৰী পৰিষদৰ ৪৮ খন জিলা কৰ্মচাৰী পৰিষদৰ অধিকাংশ জিলা পৰিষদ সম্প্ৰতি সাংগঠনিক ভাৱে সক্ৰিয় হৈ আছে। মাত্ৰ কেইখনমান জিলা কৰ্মচাৰী পৰিষদ নিষ্ক্ৰিয় হোৱাত সংশ্লিষ্ট সাংগঠনিক সম্পাদক সকলক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনালো। তাৰোপৰি প্ৰায় ১৭০ টাতকৈও অধিক স্বীকৃতিপ্ৰাপ্ত সন্থা, সংঘ, সন্মিলনী সদস্য সংগঠন আৰু সহযোগী সংগঠন হিচাপে পূৰ্ণ সহযোগিতা আগবঢ়াইছে।

**আন্দোলনৰ কাৰ্য্যসূচী ঃ**

পৰিষদৰ তৰফৰ পৰা ৰাজ্যখনত এক আন্দোলন বৰ্জিত পৰিৱেশ সৃষ্টি কৰাৰ বাবে গুৰুত্ব আৰোপ কৰা হৈছিল যদিও মাষ্টাৰৰোল কেজুৱেল কৰ্মচাৰীৰ তালিকা সময়মতে বিত্ত বিভাগলৈ প্ৰেৰণ নকৰাত সদৌ অসম মাষ্টাৰৰোল কেজুৱেল কৰ্মচাৰী সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন সঞ্চালকালয়ৰ কাৰ্য্যালয়ৰ সন্মুখত ২৭ ফেব্ৰুৱাৰী, ২০০৮ তাৰিখে অৱস্থান ধৰ্মঘটৰ কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। অসম দৰমহা আয়োগে ৩০ মে' ২০০৯ তাৰিখে এবছৰ সম্পূৰ্ণ কৰাৰ পিছতো প্ৰতিবেদন দাখিল কৰাত ব্যৰ্থ হোৱাৰ প্ৰতিবাদত ১ জুন, ২০০৯ তাৰিখে ৰাজ্যখনৰ জিলা কৰ্মচাৰী পৰিষদৰ কাৰ্য্যালয়ৰ সন্মুখত ক'লা পতাকা উৰুৱাই আৰু শিক্ষক কৰ্মচাৰী সকলে ক'লা বেজ পৰিধান কৰি ক'লা দিৱস হিচাপে কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়।

**সভা-সমিতি ঃ**

যোৱাতো বছৰত কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সভা ৪ খন, প্ৰতিনিধিত্বমূলক সভা ১ খন আৰু কৰ্ণধাৰ সমিতিৰ সভা ১৮ খন আৰু আঞ্চলিক কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধিৰ উপস্থিতিত এখন ৰাজ্যিক অভিবৰ্ত্তন অনুষ্ঠিত কৰা হয়।



OKDISCD

**শ্ৰদ্ধাৰ বন্ধু-বান্ধৱীসকল,**

সদৌ অসম কৰ্মচাৰী পৰিষদৰ কাম-কাজৰ পৰিসীমা ব্যাপক। সকলোবোৰ কথা প্ৰতিবেদনত সামৰি লোৱাতো সম্ভৱ নহয়। যথা সম্ভৱ ইয়াৰ কিছু তথ্য দাঙি ধৰাৰ প্ৰয়াসহে কৰিছোঁ। যোৱা বছৰটোত পৰিষদৰ কাম-কাজ চলাই নিয়াত প্ৰতিজন কেন্দ্ৰীয় সমিতিৰ সদস্য, কৰ্ণধাৰ সমিতিৰ সদস্যই আগবঢ়োৱা সহায়-সহযোগিতা, বিশেষকৈ সভাপতি শ্ৰীপ্ৰদীপ কুমাৰ বৰাৰ পৰামৰ্শ কোনো দিন পাহৰিব নোৱাৰিম।

বিগত বছৰটোত আপোনালোকৰ পৰা মৰম-চেনেহ, দিহা-পৰামৰ্শ, গঠনমূলক সমালোচনাই আমাক কৰ্মপ্ৰেৰণা যোগাইছিল। আহি থকা দিনবোৰতো একেই ধৰণে সহযোগিতা পাম বুলি আমি প্ৰত্যয় পোষণ কৰিছোঁ। প্ৰতিবেদনত থকা সাম্ভাব্য ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি আপোনালোক সদৌটিলৈকে সেৱা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*সদৌ অসম কৰ্মচাৰী পৰিষদ জিন্দাবাদ।*
*শ্ৰমিক, কৰ্মচাৰী, শিক্ষক, বিষয়া ঐক্য জিন্দাবাদ॥*

শ্ৰদ্ধাৰে-

**শ্ৰীবাসৱ চন্দ্ৰ কলিতা**
সম্পাদক প্ৰধান
**সদৌ অসম কৰ্মচাৰী পৰিষদ**

৭/৬/২০০৯ তাৰিখৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সভাত অনুমোদিত।

OKDISCD